# 2023

## ASSAMESE

Paper : ASMHC3056

**( Study on Assamese Folk Literature )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) লোকসাহিত্যৰ অন্যতম বাহন কি?

*(i)* মুখ

*(ii)* চকু

*(iii)* মগজু

*(iv)* কাণ

(খ) জুনা কোন শ্ৰেণীৰ কাহিনীগীত?

(i) কাল্পনিক

(ii) ৰোমাণ্টিক

(iii) আধুনিক

(iv) প্ৰেমমূলক

(গ) মালিতা প্ৰধানত কেইপ্ৰকাৰৰ?

(i) দুই

(ii) তিন

(iii) চাৰি

(iv) পাঁচ

(ঘ) 'অসমীয়া জনসাহিত্য' গ্ৰন্থখনৰ লিখক কোন?

(i) প্ৰফুল্লদত্ত গোস্বামী

(ii) বীৰেন্দ্ৰ নাথ দত্ত

(iii) বিশ্বনাৰায়ণ শাস্ত্ৰী

(iv) বিৰিঞ্চিকুমাৰ বৰুৱা





(ঙ) মহো-হো উৎসৱ কেতিয়া পালন কৰা হয়?

(i) আঘোণ মাহৰ পূৰ্ণিমাত

(ii) ফাগুন মাহৰ পূৰ্ণিমাত

(iii) ব'হাগ মাহৰ পূৰ্ণিমাত

(iv) কাতি মাহৰ পূৰ্ণিমাত

(চ) শ্ৰম বা কৰ্মবিষয়ক গীত কোনবিধ?

(i) নাওখেলৰ গীত

(ii) অন্নপ্ৰাশনৰ গীত

(iii) ওমলা গীত

(iv) তোলনী বিয়াৰ গীত

(ছ) কুশান গান কোন জনগোষ্ঠীৰ মাজত প্ৰচলিত?

(i) বড়ো

(ii) ৰাভা

(iii) কোঁচ-ৰাজবংশী

(iv) কাৰ্বি

(জ) অসমীয়া লোকসাহিত্যৰ প্ৰথমজন গৱেষক কোন?

*(i)* নবীন চন্দ্ৰ শৰ্মা

*(ii)* বীৰেন্দ্ৰ নাথ দত্ত

*(iii)* প্ৰফুল্লদত্ত গোস্বামী

*(iv)* বিৰিঞ্চিকুমাৰ বৰুৱা

(ঝ) 'অসমীয়া লোকসংস্কৃতিৰ আভাস' গ্ৰন্থৰ ৰচক কোন?

*(i)* ড০ লীলা গগৈ

*(ii)* ড০ নিৰ্মলপ্ৰভা বৰদলৈ

*(iii)* ড০ বিৰিঞ্চিকুমাৰ বৰুৱা

*(iv)* ড০ নবীন চন্দ্ৰ শৰ্মা

(ঞ) '... আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ ...'

গীতটি কি গীত?

*(i)* আইনাম

*(ii)* বিয়াগীত

*(iii)* বাৰমাহী গীত

*(iv)* নিচুকনি গীত





২। তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) লোকসাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) সাঁথৰ বুলিলে কি বুজা?

(গ) 'ভাৱীগান' কোন অঞ্চলৰ নাট্যানুষ্ঠান? এই নাট্যানুষ্ঠান কি আখ্যানৰ ওপৰত আধাৰিত?

(ঘ) বিয়ানামৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) বিহুগীত আৰু বনগীতৰ মাজৰ দুটা সাদৃশ্য উল্লেখ কৰা।

(চ) নামনি অসমত প্ৰচলিত দুটা লোকনাট্য অনুষ্ঠানৰ নাম লিখা।

(ছ) বিয়াৰ লগত জড়িত দুটা আচাৰ-অনুষ্ঠানৰ নাম লিখা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) 'ফকৰা যোজনা'ৰ মাজেৰে সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, লিখা।

(খ) সাধুকথা কাক বোলে? অতিলৌকিক সাধুকথা সম্পৰ্কে চমুকৈ লিখা। ২+৩=৫

(গ) জুনা কাক বোলে? কপাহৰ জুনাৰ বিষয়বস্তুৰ আভাস দিয়া। ২+৩=৫

(ঘ) লোকভাষা সম্পৰ্কে এটি টোকা লিখা।

(ঙ) অসমীয়া সমাজ-জীৱনত ডাকৰ বচনে কেনে প্ৰভাৱ বিস্তাৰ কৰিছে, লিখা।

(চ) খুলীয়া ভাৱৰীয়া সম্পৰ্কে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

(ছ) পুতলা নাচৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(জ) "মালিতাবিলাকক একপ্ৰকাৰ লোকপুৰাণ বুলি ক'ব পাৰি।" কথাষাৰ চমুকৈ আলোচনা কৰা।

(ঝ) লোকনাট্যৰ প্ৰধান বিশেষত্ববোৰ আলোচনা কৰা।

(ঞ) "একে চোঙত দুটা বাঘ নাথাকে।" এই প্ৰবাদটিৰ গূঢ়াৰ্থ ব্যাখ্যা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) আখ্যানমূলক লোকগীত কাকে বোলে? ইয়াক কেইটা ভাগত ভগোৱা হৈছে? প্ৰতিটো ভাগৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা। ২+২+৬=১০

(খ) প্ৰবাদ-প্ৰবচনবোৰে অসমীয়া লোকসাহিত্যক কেনেদৰে সমৃদ্ধ কৰিছে, আলোচনা কৰা।

(গ) অসমীয়া লোকসাহিত্যৰ বৈশিষ্ট্যসমূহ নিৰূপণ কৰি ইয়াৰ শ্ৰেণীবিভাজন কৰি দেখুওৱা।

(ঘ) বাৰমাহী গীতত প্ৰেম আৰু বিৰহৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।





৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) বিহুগীতত অসমীয়া সমাজ-জীৱনৰ-চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(খ) অসমীয়া লোকগীতক কি কি শ্ৰেণীত ভাগ কৰা হৈছে? প্ৰতিটো শ্ৰেণীৰ বিষয়ে উল্লেখ কৰি উদাহৰণসহ এটি আলোচনা প্ৰস্তুত কৰা। ৪+১০=১৪

(গ) উৎস আৰু বিষয়বস্তুৰ ফালৰ পৰা সাধুকথাক কেইটা ভাগত ভাগ কৰিব পাৰি? সাধুকথা সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা। ৪+১০=১৪

★★★